# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৫৩/২০২০

## গুৱাহাটীৰ ফাঁচি বজাৰত চেনিটাইজেশ্যন কাৰ্যসূচীত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২ এপ্ৰিল ঃ** ৰাজ্যখনত ক'ভিড -১৯ ৰ প্ৰাদুৰ্ভাব ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৱাহাটীৰ ফাঁচি বজাৰৰ পুৰণি কাৰাগাৰ এলেকাত গুৱাহাটী পৌৰ নিগমে চলাই থকা চেনিটাইজেশ্যন কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে নিজেও এই চেনিটাইজেশ্যন স্প্ৰে কৰে।

উল্লেখ্য যে নভেল ক'ৰণা ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে গুৱাহাটী পৌৰ নিগমে অগ্নি নিৰ্বাপন আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ সহায়ত মহানগৰীৰ বিভিন্ন স্থানত চেনিটাইজেশ্যনৰ কাৰ্যসূচী গ্ৰহণ কৰি আছে। মহানগৰীৰ বিভিন্ন ৰাজহুৱা স্থান তথা পথ সমূহত গুৱাহাটী পৌৰ নিগমে চেনিটাইজেশ্যনৰ পদক্ষেপ গ্ৰহণ কৰি আছে। আজিৰ এই চেনিটাইজেশ্যন কাৰ্যসূচীত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যও উপস্থিত থাকে।

এই কাৰ্যসূচীৰ পিছতে উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড- ১৯ অতিমাৰী হ'ল বিশ্বৰ স্বাস্থ্য খণ্ডলৈ নামি অহা এক প্ৰত্যাহ্বান। সেয়েহে এই প্ৰত্যাহ্বান সকলোৱে সন্মিলিতভাৱে প্ৰতিহত কৰিব লাগিব। চেনিটাইজেশ্যনে যিহেতু এই ভাইৰাছ নাশত বিশেষভাৱে সহায় কৰে সেয়েহে গুৱাহাটী পৌৰ নিগমে এই কাৰ্যসূচী গুৱাহাটী মহানগৰীত গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সামাজিক দূৰত্ব বজাই ৰখাটো যিহেতু এই ৰোগ প্ৰতিৰোধৰ অন্যতম উপায়, সেয়েহে সকলোৱে এই দূৰত্ব বজাই ৰাখি লক ডাউন কাৰ্যসূচী সৰ্বাত্মক ৰূপত পালন কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে সকলোকে আহ্বান জনায়। ৰাজ্যখনত সম্প্ৰতি কেইবাগৰাকীও ক'ভিড-১৯ ৰ ৰোগী চিনাক্তকৰণৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে উপযুক্ত কোৱাৰেন্টাইনৰ সা-সুবিধা, আই চি ইউ, ভেন্টিলেটৰ ইত্যাদিৰ সুবিধাৰে ৰোগীসকলক উপযুক্ত চিকিৎসা প্ৰদানৰ দিশত ব্যৱস্থা কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**সুঃদঃ / বঃভাঃ**
**২/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in